# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date : 12-08-2025**
**Time : 18-45 HRS**

***Assamese Evening Bulletin***

-------------------

১। দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আজি গোৱা আৰক্ষীৰ নৱ নিযুক্ত ৭০০ গৰাকী কনিষ্টবলৰ দীক্ষান্ত সমাৰোহ।

২। ৰাজ্যত নতুনকৈ ৮ খন সমজিলাৰ আজি আনুষ্ঠানিক শুভাৰম্ভ।

৩। অসম বিধানসভাৰ উপাধ্যক্ষ নুমল মমিনক সদনত শাৰীৰিকভাৱে বাধা দিয়া ঘটনা সন্দৰ্ভত বিধানসভাৰ বিশেষ অধিকাৰ সমিতিৰ বিধায়ৰ নুৰুল হুদাৰ ভাষ্য গ্ৰহণ।

৪। বঙাইগাঁৱৰ বিশেষ ন্যায়াধীশৰ আদালতৰ হত্যাৰ গোচৰত ৫ জনক যাৱজ্জীৱন কাৰাদণ্ড।

***আৰু***

৫। হস্তী সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ লগতে হাতী মানুহৰ সংঘাত হ্ৰাস কৰাৰ বাবে আজি বিশ্ব হস্তী দিৱস পালন।

ooooo

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আজি গোৱা আৰক্ষীৰ নৱ নিযুক্ত ৭০০ গৰাকী কনিষ্টবলৰ দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হয়। অনুষ্ঠানত গোৱাৰ মুখ্যমন্ত্ৰী ড° প্ৰমোদ সাৱন্ত মুখ্য অতিথি হিচাপে আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰশিক্ষণ সমাপ্ত কৰা আৰক্ষী জোৱানসকলে পাছিং আউট পেৰেডত অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লাচিত বৰফুকন পুলিচ একাডেমীত গোৱাৰ কনিষ্টবল সকলক প্ৰশিক্ষণ প্ৰদান কৰাটো অসমৰ বাবে আনন্দৰ কথা বুলি মন্তব্য কৰে। তেওঁ কয়, যে গোৱা আৰু অসমৰ মাজৰ দূৰত্ব অধিক হোৱাৰ সত্ত্বেও এই জোৱানসকলক অসমত প্ৰশিক্ষণৰ জৰিয়তে আন্তঃৰাজ্যিক সমন্বয়ৰ উপৰি অসম আৰক্ষীৰ শৃংখলাবদ্ধ আৰু দক্ষ প্ৰশিক্ষণ ক্ষমতা প্ৰতিফলিত হৈছে।

**বাইট** ঃ মুখ্যমন্ত্ৰী

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে যোৱা ১৫ মাৰ্চত লাচিত বৰফুকন পুলিচ একাডেমীখন উদ্বোধন কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই একাডেমীত ধাৰাবাহিকভাৱে অসম আৰক্ষীৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈ আহিছে। চলিত বছৰত মণিপুৰ আৰক্ষীত নিযুক্ত কণিষ্টবলকো এই একাডেমীত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে বুলি তেওঁ কয়।

উল্লেখযোগ্য যে গোৱা আৰক্ষীত নিযুক্ত প্ৰথম, দ্বিতীয় আৰু তৃতীয় ইণ্ডিয়া ৰিজাৰ্ভ বেটেলিয়নৰ ৭০০ গৰাকী কনিষ্টবলৰ ৫৬৯ গৰাকী পুৰুষ আৰু ১৩১ গৰাকী মহিলা। অনুষ্ঠানত গোৱাৰ মুখ্যমন্ত্ৰী ড° প্ৰমোদ সাৱন্তে নিজৰ ভাষণত গোৱা আৰক্ষীৰ কনিষ্টবলসকলে লাচিত বৰফুকনৰ দৰে এগৰাকী মহাবীৰৰ নামেৰে নামকৰণ কৰা

একাডেমীত প্ৰশিক্ষণ লাভৰ সুযোগ পোৱা কথাটো আনন্দৰ কথা বুলি উল্লেখ কৰে। এই অনুষ্ঠানত অসম আৰক্ষীৰ জোৱানসকলে মটৰ চাইকেল চলোৱাৰ দুঃসাহসিক ক্ৰীড়া কৌশল প্ৰদৰ্শন কৰে। এই দীক্ষান্ত সমাৰোহত কৃষি মন্ত্ৰী অতুল বৰা, বিত্তমন্ত্ৰী অজন্তা নেওগ, ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটা, অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং, গোৱা আৰক্ষীৰ সঞ্চালক প্ৰধান আলোক কুমাৰকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০

ৰাজ্যত ৮ খন নতুন সমজিলা সংযোজনৰ আজি আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। কামৰূপ, গোৱালপাৰা, কাছাৰ, শোণিতপুৰ, যোৰহাট আৰু তিনিচুকীয়াত সমজিলা সংযোজন কাৰ্যসূচীত কেইবাগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। কামৰূপ জিলাত আজি দুখন সমজিলা গঠন কৰা হয়। বকোৰ ডাকুৱাপাৰাত আয়োজিত বকো-ছয়গাঁও সমজিলা কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশ লয়। সমজিলাসমূহত মহকুমাৰ তুলনাত অধিক কাম-কাজ কৰিব পৰা হ'ব বুলি তেওঁ ভাষণ প্ৰসংগত প্ৰকাশ কৰে। পলাশবাৰী সমজিলা গঠন অনুষ্ঠানত ৰাজ্য চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে গোৱালপাৰা জিলাৰ দুধনৈ সমজিলাৰ কাৰ্যালয় উদ্বোধন কৰে। এই সমজিলাৰ আয়ুক্তৰ স্থায়ী কাৰ্যালয় নিৰ্মাণৰ বাবে চৰকাৰে ২০ কোটি টকা ধাৰ্য কৰিছে। মন্ত্ৰী শ্ৰীদাসে এই সন্দৰ্ভত সাংবাদিকৰ আগত এনেদৰে কয়–

**বাইট (ৰণজিৎ দাস)**

মন্ত্ৰী কৃষ্ণেন্দু পালে কাছাৰ জিলাৰ ধলাই সমজিলা কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। সমজিলা কাৰ্যালয়ৰ বিভিন্ন বিভাগ পৰিদৰ্শন কৰি তেওঁ ধলাইবাসীৰ বাবে আজিৰ দিনটো ঐতিহাসিক বুলি উল্লেখ কৰে।

স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে শোণিতপুৰ জিলাৰ ঠেলামাৰাত আজি সমজিলা আয়ুক্তৰ কাৰ্যালয়ত উদ্বোধন কৰে।

কৃষি মন্ত্ৰী অতুল বৰাই যোৰহাট জিলাৰ টীয়ক সমজিলা আয়ুক্ত কাৰ্যালয়ৰ উদ্বোধনী অনুষ্ঠানত অংশ লয়।

কাইলৈ শোণিতপুৰ আৰু তিনিচুকীয়াত সমজিলা সংযোজনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। তিনিচুকীয়াৰ মাকুমত হ'বলগীয়া মাকুম সমজিলাৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ইয়াৰ লগে লগে ৰাজ্যত মুঠ সমজিলাৰ সংখ্যা ৪৯ লৈ বৃদ্ধি পাব। বিগত বৰ্ষৰ অক্টোবৰত প্ৰথম পৰ্যায়ত ৩৯ খন সমজিলা সংযোজন কৰা হৈছিল। প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ হিচাপে গঠন কৰা সমজিলাসমূহে ভূমি, ৰাজহ সম্পৰ্কীয় সেৱা, উন্নয়ন আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণ প্ৰশাসনিক ক্ষমতা, খাদ্য আৰু অসামৰিক যোগান ব্যৱস্থা নিশ্চিত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ সফল ৰূপায়ণ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনসাধাৰণক প্ৰয়োজনীয় সুবিধা লাভ কৰাত সহায় কৰিব।

০০০০

অসম বিধানসভাৰ উপাধ্যক্ষ নুমল মমিনক বিধানসভাৰ অধিবেশনৰ সময়ত শাৰিৰীকভাৱে বাধা দিয়া ঘটনা সন্দৰ্ভত আজি বিধানসভাৰ বিশেষ অধিকাৰ সমিতিয়ে বিধায়ক নুৰুল হুদাৰ ভাষ্য গ্ৰহণ কৰে। সমিতিখনৰ সন্মুখত বিধায়ক হুদাই উপাধ্যক্ষগৰাকীক শাৰিৰীকভাৱে বাধা দিয়াটো স্বীকাৰ কৰে। বিশেষ অধিকাৰ সমিতিৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ সিদ্ধাৰ্থ ভট্টাচাৰ্যই সংবাদ মাধ্যমৰ আগত এইকথা প্ৰকাশ কৰে। বিধায়ক শ্বেৰমান আলীয়েও অসম বিধানসভাৰ অধিবেশনৰ সময়ত কেতবোৰ অসংসদীয় মন্তব্য কৰিছিল। বিধায়ক আলীয়েও সমিতিখনৰ আগত এই মন্তব্যৰ বাবে দুখ প্ৰকাশ কৰে। দুয়োগৰাকী বিধায়কৰ মতামত গ্ৰহণৰ পাছত সমিতিয়ে অসম বিধানসভাৰ অধ্যক্ষৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব বুলি সমিতিৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীভট্টাচাৰ্যই প্ৰকাশ কৰে।

**বাইট ঃ সিদ্ধাৰ্থ ভট্টাচাৰ্য্য**

ooooo

বঙাইগাঁৱৰ বিশেষ ন্যায়াধীশৰ আদালতে আজি ৫ জন অভিযুক্তক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় বিহে। বিশেষ ন্যায়াধীশ মৌচুমী দে'ৰ আদালতে ২০১২ চনত ৩ জন লোকক আক্ৰমন কৰা ঘটনাৰ সৈতে জড়িত এই ৫ জন অভিযুক্তক ১৫ হাজাৰ টকাকৈ জৰিমণা বিহাৰ লগতে আজীৱন কৰাৰাদণ্ডৰ ৰায় দিয়ে। উল্লেখযোগ্য যে ২০১২ চনৰ ২২ জুলাইত চিৰাং জিলাৰ  বিজনী থানাৰ অন্তৰ্গত হাচৰাওবাৰীত ৩ জন লোকক চোকা অস্ত্ৰৰে আক্ৰমণ কৰি এই লোককেইজনে গুৰুতৰভাৱে আহত কৰিছিল। ইয়াৰে এজন লোকৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হৈছিল। ঘটনাৰ সন্দৰ্ভত ৭ জন অভিযুক্তৰ  বিৰুদ্ধে গোচৰ ৰুজু কৰি ৫ জনক কৰায়ত্ত কৰা হৈছিল। অভিযুক্তকেইজনৰ এজন পলাতক অৱস্থাত থকাৰ লগতে আনজনৰ মৃত্যু  হৈছিল। আজি আদালতে এই ৫ জন অভিযুক্তক শাস্তিৰ ৰায় দিয়ে।

oooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশৰ পাছতে নগাঁও জিলাৰ ঢাকাইপট্টি নামৰ অঞ্চলটোৰ নাম **ৰূপকোঁৱৰ চ'ক** নামেৰে নামকৰণ কৰা হৈছে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি সংবাদমেলযোগে আনুষ্ঠানিকভাৱে এই ঘোষণা কৰে। শেহতীয়াকৈ ঢাকাইপট্টিত সংঘটিত হোৱা এটা অনাকাংক্ষিত ঘটনাৰ পাছতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই অঞ্চলটোৰ নাম সলনি কৰাৰ নিৰ্দেশ দিছিল। বিধায়ক ৰূপক শৰ্মাৰ পৰিকল্পনাত অঞ্চলটোৰ নাম **ৰূপকোঁৱৰ চ'ক** নামেৰে নামকৰণ কৰা হৈছে বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ সংশ্লিষ্ট অঞ্চলটোৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহক এমাহৰ ভিতৰত নামফলকত থকা ঢাকাইপট্টিৰ পৰিৱৰ্তে **ৰূপকোঁৱৰ চ'ক** লিখিবলৈ আহ্বান জনায়। জিলা আয়ুক্তগৰাকীয়ে সংবাদমেলত এইদৰে কয়-

**বাইট (ডি চি)**

ooooo

স্বাধীনতা দিৱসৰ বাবে ৰাজ্যজুৰি বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। আলফা স্বাধীনকে ধৰি কেইবাটাও উগ্ৰপন্থী সংগঠনে এইবাৰ স্বাধীনতা দিৱস বৰ্জনৰ আহ্বান জনোৱাৰ পাছত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। স্বাধীনতা দিৱসৰ সময়ছোৱাত যাতে উগ্ৰপন্থী সংগঠনসমূহে কোনো ধৰণৰ কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে উজনি অসমৰ লগতে গুৱাহাটী মহানগৰী আৰু নামনি অসমৰ বিভিন্ন স্থানত আৰক্ষীয়ে কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে।

প্ৰতিকূল বতৰৰ মাজতে স্বাধীনতা দিৱস উদযাপনৰ বাবে তিনিচুকীয়া জিলা প্ৰশাসনেও প্ৰস্তুতি অব্যাহত ৰাখিছে। আৰক্ষী, অৰ্দ্ধ-সামৰিক বাহিনী, গৃহৰক্ষী বাহিনীকে ধৰি স্কাউট গাইডৰ দলে প্ৰতিদিনে বৰগুৰিৰ আই আই টি খেলপথাৰত পেৰেডৰ অনুশীলন চলাই আছে। স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি ১৫ আগষ্টত জিলা প্ৰশাসনে কেইবাটাও সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে।

স্বাধীনতা দিৱস উদযাপনৰ বাবে বজালী জিলা প্ৰশাসনেও প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হ'বলগীয়া স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ বাবে জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে পেৰেডৰ অনুশীলন অব্যাহত ৰাখিছে।

আনহাতে যোৱা ২ আগষ্টৰ পৰা কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত বিভিন্ন জিলাত প্ৰশাসনে সমদল আদিৰ আয়োজন কৰিছে।

ভাৰতীয় জনতা পাৰ্টিৰ গুৱাহাটী মহানগৰ সমিতিৰ নৱগ্ৰহ মণ্ডলৰ উদ্যোগত উজান বজাৰত তিৰংগা যাত্ৰা উলিওৱা হয়। বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যকে ধৰি কেইবাগৰাকীও দলীয় কৰ্মীয়ে অংশ লয়।

শোণিতপুৰ জিলাৰ বৰছলা সমষ্টিৰ তিনিওটা মণ্ডল সমিতিৰ উদ্যোগত আৰু যুৱ মৰ্চাৰ সহযোগত আয়োজিত তিৰংগা যাত্ৰাত বিধায়ক গণেশ কুমাৰ লিম্বুৱে অংশগ্ৰহণ কৰে।

দেশৰ সুৰক্ষাৰ বাবে সৈনিকসকলৰ ত্যাগ আৰু বলিদানক সন্মান জনাই ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত খোৱাং বিধানসভা সমষ্টিৰ লকুৱা মণ্ডল সমিতিৰ উদ্যোগতো আজি তিৰংগা যাত্ৰা উলিওৱা হয়। বিধায়ক চক্ৰধৰ গগৈৰ লগতে স্থানীয় লোকে দেশপ্ৰেমমূলক শ্ল’গান দি এই সমদলত অংশ লয়।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চৌহদতো আজি হৰ ঘৰ তিৰংগা কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে চাইকেল সমদল উলিয়ায়।

**হৰ ঘৰ তিৰংগা** কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি গোলাঘাট জিলাৰ মেৰাপানী সীমান্তত চি আৰ পি এফৰ নেতৃত্বত কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে আজি এটা সমদল উলিয়ায়।

হোজাই জিলাৰ লামডিঙত বিজেপি মণ্ডলৰ উদ্যোগত তিৰংগা যাত্ৰা উলিওৱা হয়। বিধায়ক শিবু মিশ্ৰৰ লগতে বিজেপি কৰ্মী আৰু কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে এই সমদলত অংশ লয়।

বৰপেটা জিলাৰ হাউলীৰ সীমা সুৰক্ষা বাহিনীৰ জোৱানসকলে আজি এই অভিযানৰ সৈতে সংগতি ৰাখি মটৰচাইকেল সমদল উলিয়ায়। এই শোভাযাত্ৰাৰ জৰিয়তে তেওঁলোকে স্বাধীনতা দিৱসত প্ৰতিটো পৰিয়ালক নিজৰ ঘৰৰ চৌহদত ৰাষ্ট্ৰীয় পতাকা উৰুৱাবলৈ আহ্বান জনায়।

শিলচৰৰ অসম বিশ্ববিদ্যালয়তো **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ বিভিন্ন বিভাগৰ অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীসকলে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ এই কাৰ্যসূচীত অংশ লয়।

ইপিনে চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ কুমাৰশালী ভি চি ডি চিৰ সভাপতি দীপচন নাৰ্জাৰী আৰু তেওঁৰ পত্নী সুখুশ্ৰী বালা ব্ৰহ্মই দিল্লীৰ লালকিল্লাত হ’বলগীয়া স্বাধীনতা দিৱসৰ কাৰ্যসূচীলৈ আমন্ত্ৰণ লাভ কৰাৰ পাছতে আজি দিল্লী অভিমুখে ৰাওনা হৈছে। দিল্লীলৈ ৰাওনা হোৱাৰ পূৰ্বে দুয়োগৰাকী ব্যক্তিকে জিলা প্ৰশাসনে সম্বৰ্ধনা জনায়।

০০০০

হস্তী সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ লগতে হাতী মানুহৰ সংঘাত হ্ৰাস কৰাৰ বাবে আজি বিশ্ব হস্তী দিৱস পালন কৰা হয়। এই উপলক্ষে মানস ৰাষ্ট্ৰীয় উদ্যানত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। উদ্যানখনৰ বাঁহবাৰী সংমণ্ডলৰ মুখ্য প্ৰবেশদ্বাৰত আজি হাতীক খাদ্য খুওৱাৰ লগতে মাউতসকলক বস্ত্ৰ প্ৰদান কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত হস্তী সন্দৰ্ভত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ মানস ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালক ডঃ চি ৰমেশে প্ৰকাশ কৰা মতে, উদ্যানখনত কমেও এহেজাৰ ৭০০ টা বনৰীয়া হাতী আৰু ৫৯ টা পোহনীয়া হাতী আছে। তদুপৰি উদ্যানখনত হাতী সুৰক্ষাৰ বাবে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। গোৱালপাৰা জিলাতো আজি বিশ্ব হস্তী দিৱস পালন কৰা হয়। দিৱস উপলক্ষে স্বেচ্ছাসেৱী সংগঠন আৰণ্যকৰ উদ্যোগত জিলাখনৰ বীৰঝৰা হাইস্কুল খেলপথাৰত বন বিভাগ আৰু মেঘালয় বন বিভাগৰ মাজত এখন প্ৰীতি ফুটবল খেল অনুষ্ঠিত হয়। খেলত ৰাজ্যৰ বন বিভাগে মেঘালয় বন বিভাগক ৩-০ গ’লৰ ব্যৱধানত পৰাস্ত কৰে। খেলৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী সভাত গোৱালপাৰাৰ মাণ্ডলিক বন বিষয়া তেজশ মাৰিস্বামীৰ লগতে মেঘালয়ৰ বন বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০

গুৱাহাটীৰ চচল টেনিচ প্ৰকল্পত সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত চলি থকা অইল আইটা চুপাৰ চিৰিজ ৰাষ্ট্ৰীয় ৰেংকিং টেনিচ প্ৰতিযোগিতাৰ আজি চাৰিওটা শাখাৰে একক প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ মেচসমূহ অনুষ্ঠিত হয়। ১৪ বছৰ অনূৰ্ধ শাখাত অসমৰ ছগৰাকী খেলুৱৈয়ে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ১৬ বছৰ অনূৰ্ধৰ

একক শাখাত অসমৰ পাৰ্থিৱ কলিতা আৰু নমন বৰাই বিজয়ী হোৱাৰ লগতে ছোৱালী শাখাত অসমৰ আয়ুশ্ৰী নাথে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অসম টেনিছ সন্থাৰ সম্পাদকে প্ৰকাশ কৰা অনুসৰি আজি আবেলিৰ পৰা ল'ৰা-ছোৱালী উভয়ৰে ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ মেচসমূহো আৰম্ভ হৈছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই স্বাধীনতাৰ ৭৮ বছৰ পূৰ্ণ হোৱা উপলক্ষে প্ৰচাৰ কৰি অহা অনুষ্ঠানমালাৰ অংশ হিচাপে অহা ১৬ আগষ্ট শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। **"স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো"** শীৰ্ষক এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন স্থানৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে স্বৰাজোত্তৰ কালৰ অভিজ্ঞতা ব্যক্ত কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

সমাপ্ত